**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা ঘোষণা।

২। ৰাজ্যত কোচিং চেণ্টাৰ নিয়ন্ত্ৰণৰ বাবে চলিত বিধানসভা অধিবেশনত আছাম কোচিং ইনষ্টিটিউট বিধেয়ক উত্থাপনৰ প্ৰস্তাৱ ৰাজিহ্ক মন্ত্ৰীপৰিষদৰ।

৩। বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্তা নেওগৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন।

৪। জয়মতীৰে আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাৰ আজি ৯০ বছৰ সম্পূৰ্ণ।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত তৃতীয়বাৰৰ বাবে খিতাপ অৰ্জনেৰে ভাৰতৰ অভিলেখ।

০০০০০০

ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা ঘোষণা কৰা হৈছে। দিছপুৰত অনুষ্ঠিত মন্ত্ৰী পৰিষদৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে এই কথা ঘোষণা কৰে। সেই অনুসৰি অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট ৰাণা প্ৰতাপ কলিতালৈ আগবঢ়োৱা হৈছে অসম বৈভৱ বঁটা। অসম সৌৰভ বঁটাৰ বাবে সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনচালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ ৰামডুৰাইৰ নাম বিবেচনা কৰা হৈছে। আনহাতে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানলৈ আগবঢ়োৱা হৈছে অসম গৌৰৱ বঁটা। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু। অহা ৩০ মাৰ্চত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই বঁটাসমূহ প্ৰদান কৰিব। সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বিভিন্ন স্থানত গঢ়ি উঠা কোচিং চেণ্টাৰসমূহ নিয়ন্ত্ৰণৰ বাবে এখন নতুন আইন আনিব বুলিও সদৰি কৰে। তেওঁ কয় যে কোচিং চেণ্টাৰসমূহক নিয়ন্ত্ৰণ কৰিব পৰাকৈ সম্প্ৰতি কোনো ব্যৱস্থা নাই। সেয়ে চলিত বিধানসভা অধিবেশনতে কোচিং চেণ্টাৰ নিয়ন্ত্ৰণৰ বাবে আছাম কোচিং ইনষ্টিটিউট বিধেয়ক উত্থাপন কৰা হ'ব।

আনহাতে, মেডিকেল শিক্ষাৰ বাবে প্ৰৱেশ পৰীক্ষা কেৱল চৰকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বায়োমেট্ৰিক পৰীক্ষাৰ পাছতহে এতিয়াৰে পৰা পৰীক্ষা হলত পৰিক্ষাৰ্থী

প্ৰৱেশ কৰিব পাৰিব। এই বিষয়টো নেচনেল টেষ্টিং এজেন্সিক অৱগত কৰিবৰ বাবে মুখ্য সচিবক নিৰ্দেশ দিয়া বুলিও সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগে বিধানসভাত আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। বিত্ত বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা অনুসৰি এইবাৰৰ বাজেটত সামগ্ৰিকভাৱে ৰাজ্যৰ বিভিন্ন সমস্যাই স্থান পাব। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যেৰে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত আজি উত্থাপন কৰিবলগীয়া ৰাজ্যিক বাজেটত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। এইখনেই হ'ব ডং হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰে বিধানসভাত লেখানুদানহে দাখিল কৰিব লাগিব।

০০০০০০

অহা বছৰৰ শেষৰফালে অসমত ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ কাম ১০০ শতাংশ সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় ৰে'ল দপ্তৰৰ ৰাজ্য মন্ত্ৰী ভি সোমান্নাই প্ৰকাশ কৰিছে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত ৰে'লৰ আন্তঃগাঁথনি প্ৰকল্পসমূহ পৰ্যালোচনাৰ বাবে তিনি দিনীয়া ভ্ৰমণসূচীৰে অঞ্চলটোলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি গুৱাহাটী ৰে'ল ষ্টেচনত উপস্থিত হৈ এই বিষয়ে প্ৰকাশ কৰে। তেওঁ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা প্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ সৈতে ষ্টেচনটোত ১৮১ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে নিৰ্মিয়মান প্ৰকল্পৰ কামকাজ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এখন পৰ্যালোচনা বৈঠকত আঞ্চলিক যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে দ্বৈত ৰে'লপথ নিৰ্মাণ, ৰে'লৱে নেটৱৰ্কৰ সম্প্ৰসাৰণ আৰু মূল আন্তঃগাঁথনি প্ৰকল্পসমূহৰ কামকাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। ইয়াৰ আগেয়ে তেওঁ ডিব্ৰুগড় ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি প্ৰায় ২৬ কোটি ২৭ লাখ টকা ব্যয় সাপেক্ষে চলি থকা কামকাজৰ বুজ লয়।

০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ তৎপৰতাত গোৱালপাৰা জিলাত বান আৰু গৰা খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। জিলাখনত ব্ৰহ্মপুত্ৰ নদীৰ ১৫ কিলোমিটাৰ গৰা খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগৰ প্ৰচেষ্টাত এছিয়ান ডেভেলপমেণ্ট বেংকে ৩২১ কোটি টকাৰ অনুদানত অনুমোদন দিছে। ইয়াৰে প্ৰথম পৰ্যায়ত ২৩৭ কোটি টকাৰে প্ৰায় ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গৰা খহনীয়া প্ৰতিৰোধৰ কাম পূৰ্ণগতিত চলাই থকা হৈছে। এই পৰ্যায়ত অতি সংকটজনক পৰিস্থিতিত থকা বলদমাৰী চৰ, গোৱালপাৰা চহৰৰ কছাৰীঘাটৰ পৰা হুৰকাকুছিলৈ আৰু জলেশ্বৰৰ বানিয়াপাৰাৰ পৰা ছিলাৰভিটালৈ গৰা খহনীয়া প্ৰতিৰোধৰ কাম চলি আছে। প্ৰায় ৩ বছৰত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ১৫ মাৰ্চত ডেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমী আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ আগমনক কেন্দ্ৰ কৰি প্ৰতিষ্ঠানটোত ব্যাপক প্ৰস্তুতি চলিছে। আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে অনুষ্ঠানৰ প্ৰস্তুতিৰ সকলো দিশ চোৱাচিতা কৰাৰ লগতে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়, সশস্ত্ৰ আৰক্ষী প্ৰশিক্ষণ

কেন্দ্ৰ, আৰক্ষী প্ৰশিক্ষণ বিদ্যালয় আৰু বেটেলীয়ন প্ৰশিক্ষণ কেন্দ্ৰ সামৰি পুলিচ একাডেমী গঠন কৰা হৈছে। তিনিটা পৰ্যায়ত নিৰ্মাণ হ'বলগীয়া এই একাডেমীৰ প্ৰথম পৰ্যায়ৰ কাম প্ৰায় সম্পূৰ্ণ কৰি পূৰ্বৰ চাৰিটা গোটৰ সকলো বিষয়া-কৰ্মচাৰীক একাডেমীত একত্ৰিকৰণ কৰা হৈছে।

০০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ **জয়মতী**ৰে আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাই আজি ৯০ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৩৫ চনৰ ১০ মাৰ্চত তেতিয়াৰ কলিকতাৰ ৰৌনাক থিয়েটাৰত ৰূপকোঁৱৰৰ পৰিচালিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে মুক্তি লাভ কৰিছিল। সেই মাহৰে ২০ মাৰ্চত গুৱাহাটীৰ ঐতিহ্যমণ্ডিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অসমৰ জনসাধাৰণৰ বাবে ছবিখন প্ৰদৰ্শন কৰা হৈছিল। ১৭ শতিকাৰ অসম বুৰঞ্জীৰ এটি অধ্যায়ৰ ওপৰত ভেটি কৰি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সতীজয়মতী নাটকৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱলাই ছবিখন নিৰ্মাণ কৰিছিল।

অসমীয়া চলচ্চিত্ৰৰ ৯০ বছৰ পূৰ্ণ হোৱা মুহূৰ্তত চলচ্চিত্ৰ পৰিচালক তথা সমালোচক নয়ন প্ৰসাদে এইদৰে মনৰ ভাব ব্যক্ত কৰে–

***(বাইট ঃ নয়ন প্ৰসাদ)***

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই অসমীয়া চলচ্চিত্ৰৰ ৯০ বছৰীয়া সোণসেৰীয়া পৰিক্ৰমা উপলক্ষে আজি দিয়া এটা বাৰ্তাত অসমৰ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত সকলো শিল্পী আৰু কলাকুশলীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। দেশৰ ভিতৰতে অন্যতম পুৰণি চলচ্চিত্ৰ উদ্যোগ হিচাপে পৰিগণিত অসমীয়া চলচ্চিত্ৰ উদ্যোগটো পুনৰ উজ্জীৱীত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৰুত্বপূৰ্ণ নীতি গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ চলচ্চিত্ৰ উদ্যোগটোলৈ নৱজাগৰণ অনাৰ লক্ষ্যৰে চলচ্চিত্ৰৰ সৈতে জড়িত লোকসকলৰ লগতে সমূহ চলচ্চিত্ৰ প্ৰেমীক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

০০০০০০

মহাপুৰুষ শ্ৰী শ্ৰী দামোদৰ দেৱৰ আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী লোৱা হৈছে। মহাপুৰুষজনাৰ জয়ন্তী উপলক্ষে তেওঁৰ দ্বাৰা স্থাপিত পাটবাউসী সত্ৰৰ লগতে বিভিন্ন সত্ৰসমূহত ধৰ্মীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। হাজোৰ ৰামদিয়াত মহাপুৰুষজনাৰ ৫৭৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কালিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি বন্তি প্ৰজ্বলন, গুৰুজনাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, গছপুলি ৰোপন আদি কৰা হয়। আজি ঊষা কীৰ্তনেৰে কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ইয়াৰ পাছতে নাম প্ৰসংগ, হোম-যজ্ঞকে ধৰি বিভিন্ন কাৰ্যসূচী লোৱা হ'ব। বজালীৰ ভালুকী সত্ৰৰ লগতে মহাপুৰুষজনাৰ প্ৰপন্ন শিষ্য ভগৱান দেৱৰ দ্বাৰা প্ৰতিষ্ঠা কৰা গোবিন্দপুৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰতো আজি ধৰ্মীয় কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে নাম প্ৰসংগকে ধৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বৰক্ষেত্ৰৰ কান্দি অঞ্চলটো কালিৰে পৰা মহাপুৰুষ শ্ৰী শ্ৰী দামোদৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ দামোদৰ দেৱৰ পৱিত্ৰ জয়ন্তী উপলক্ষে সেৱা জনাইছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে গুৰুজনাৰ ভক্তি, সেৱা তথা সংস্কাৰৰ আদৰ্শই সকলোৰে অন্তৰাত্মা আলোকিত কৰি ৰাখিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙত বসবাস কৰি কাৰ্বি জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰখা অনা-কাৰ্বি লোকসকললৈ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে সকলো প্ৰকাৰৰ সহায়ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, ড° তুলিৰাম ৰংহাঙে কালি সাংবাদিকৰ সৈতে হোৱা এটা বাৰ্তালাপত এই বিষয়ে উল্লেখ কৰে। চলিত বছৰত কাৰ্বি পৰিষদৰ বাজেটতো এই বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে বুলি ড° ৰংহাঙে জানিবলৈ দিয়ে।

বাইট-ৰংহাং

oooooo

অসম চলচ্চিত্ৰ সমাজৰ উদ্যোগত অহা ১৪ মাৰ্চৰ পৰা তিতাবৰত দ্বিতীয় অসম আন্তঃৰাষ্ট্ৰীয় গ্ৰাম্য চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ভাৰতীয় চলচ্চিত্ৰ মহাসংঘ আৰু অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ সহযোগত  আয়োজিত এই মহোৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ১৪ মাৰ্চৰ বিয়লি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। দেশী-বিদেশী ১৪খন চলচ্চিত্ৰ আৰু কেইবাখনো চুটি ছবি তথা তথ্যচিত্ৰ মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। ৰীমা বৰাৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত **অনুনাদ** ছবিখনৰ প্ৰদৰ্শনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। কালি এখন সংবাদ মেলত চলচ্চিত্ৰ সমাজৰ সাধাৰণ সম্পাদক ড০ জয়ন্ত মাধৱ দত্তই প্ৰকাশ কৰা মতে মহোৎসৱৰ তিনিটা দিনত তিনিখন বিশেষ কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত ৰাজ্যখনৰ চলচ্চিত্ৰ জগতৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ লগতে দেশৰ কেইবাগৰাকীও চলচ্চিত্ৰ ক্ষেত্ৰৰ সন্মানীয় ব্যক্তিয়ে অংশ ল'ব।

oooooo

## NEWSPAPER REVIEW (10-03-2025 MORN.)

অসম চৰকাৰৰ চলিত বৰ্ষৰ অসম বৈভৱ, অসম সৌৰভ, অসম গৌৰৱ বঁটা ঘোষণা, আজি বিধানসভাত বিত্তমন্ত্ৰীৰ বাজেট দাখিল আৰু পুনৰ ছেম্পিয়নছ ট্ৰফী দখল টীম ইণ্ডিয়াৰ- এই বাতৰিকেইটা আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত ঠাই দিছে।

২০২৫ চনৰ ভিতৰত অসমত ১০০ শতাংশ ৰে'ল বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি কেন্দ্ৰীয় ৰে'ল আৰু জলশক্তি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ভি সোমান্নাই প্ৰকাশ কৰে। এই বাতৰি দৈনিক অসম কাকতৰ।

অসমীয়া ভাষা প্ৰতিষ্ঠাৰ যুঁজত আত্মোৎসৰ্গা কৰা ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ৰচনাৱলী অসম সাহিত্য সভাই ইংৰাজীলৈ অনুবাদ কৰিব। কালি যোৰহাটত অনুষ্ঠিত প্ৰথমখন কাৰ্যনিৰ্বাহকত সভাই এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

এতিয়াৰে পৰা জিলা পৰিবহন বিষয়া বা ডি টি অ'ৰ কাৰ্যালয়ৰ পৰিৱৰ্তে ড্ৰাইভিং প্ৰতিষ্ঠানসমূহে যান-বাহন চালকৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিব। এই বাতৰি আমাৰ অসম কাকতৰ।

অসমীয়া মঞ্চ আৰু ছবিজগতৰ বিশিষ্ট অভিনেত্ৰী ৰীণা বৰালৈ প্ৰাগ চিনে এৱাৰ্ডছ্ ২০২৫ৰ জীৱনজোৰা সাধনা বঁটা  আগবঢ়োৱা হৈছে। অভিনয়ৰ ক্ষেত্ৰখনত নিষ্ঠাৰে কাম কৰি অহা ৰীণা বৰাই প্ৰাগ নিউজৰ এই স্বীকৃতিৰ বাবে প্ৰতিষ্ঠানটোক ধন্যবাদ জ্ঞাপন কৰে। এই বাতৰিটো আলোকচিত্ৰসহ দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত শিৱসাগৰ আৰু মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভৰ বাবে চৰকাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

সমাগত ৰঙালী বিহুত কেন্দ্ৰ কৰি বহিঃৰাজ্যৰ পৰা অসমলৈ গামোচাৰ সোঁত বৈছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

ব্যক্তিগত বিদ্যালয়ত নহ'ব মেডিকেল, ইঞ্জিনীয়াৰিঙৰ প্ৰৱেশ পৰীক্ষা। এই সন্দৰ্ভত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰাইভেট স্কুলত নহ'ব মেডিকেল ইঞ্জিনীয়াৰিঙৰ প্ৰৱেশ পৰীক্ষা শিৰোনামেৰে প্ৰকাশ কৰিছে।

বাংলাদেশী আৰু ৰহিংগীয়া অনুপ্ৰৱেশকাৰীৰ চিনাক্তকৰণ আৰু প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা একেই নীতি অসমৰ ক্ষেত্ৰতো প্ৰযোজ্য হোৱা উচিত বুলি সদৌ অসম ছাত্ৰ সন্থাই প্ৰকাশ কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে ASSU demands special drive to detect, deport illegal migrants শিৰোনামেৰে প্ৰকাশ কৰিছে।

শিক্ষক নিযুক্তিৰ বাবে অসম চৰকাৰে অনলাইন আবেদনৰ আহ্বান কৰিছে। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতে Online Applications for Teacher recrutment শিৰোনামেৰে প্ৰকাশ কৰিছে।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ অৰ্জন কৰি ভাৰতে নতুন অভিলেখ ৰচিছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত ফাইনেলত নিউজিলেণ্ডক পৰাস্ত কৰি ভাৰতে এই খিতাপ অৰ্জন কৰে। ইয়াৰ পূৰ্বে ২০০২ চনত শ্ৰীলংকাৰ সৈতে যুটীয়াভাৱে চেম্পিয়নছ ট্ৰফী জয় কৰা ভাৰতে ২০১৩ চনত এম এছ ধোনীৰ নেতৃত্বত এই খিতাপ দখল কৰিছিল। কালিৰ ফাইনেল খেলখনত নিউজিলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ২৫২ ৰানৰ বিজয় লক্ষ্য ভাৰতে ১ অ'ভাৰ আৰু ৪টা উইকেট হাতত থকা অৱস্থাত অতিক্ৰম কৰিবলৈ সমৰ্থ হয়।

নিউজিলেণ্ডে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অ'ভাৰত ৭টা উইকেট হেৰুৱাই ২৫১ ৰাণ কৰে। ডেৰিল মিছেলে ৬৩ আৰু মাইকেল ব্ৰেচৱেলে ৫১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰোহিত শৰ্মা আৰু শুভমন গিলে ১০৫ ৰাণৰ অপেনিং যুটী বান্ধি দলক সুন্দৰ আৰম্ভণি দিয়াৰ পাছত- শ্ৰেয়াছ আয়াৰ আৰু কে এল ৰাহুলে দলৰ বিজয় সুনিশ্চিত কৰে। ৰোহিত শৰ্মাই ৭৬, শ্ৰেয়াছে ৪৮, কে এল ৰাহুলে ৩৪, অক্ষৰ পেটেলে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ অধিনায়ক ৰোহিত শৰ্মালৈ প্লেয়াৰ অৱ দা মেচ আৰু নিউজিলেণ্ডৰ ৰচিন ৰবীন্দ্ৰলৈ প্লেয়াৰ অৱ দা ছিৰিজৰ বঁটা আগবঢ়োৱা হয়। যোৱাটো বৰ্ষৰ টি-২০ বিশ্বকাপৰ পাছত এয়া আছিল এটা বৰ্ষৰ ভিতৰত ভাৰতৰ দ্বিতীয়টো আই চি চিৰ খিতাপ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ধূলিময় হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা প্ৰদূষণৰ মান সূচ্যাংক অনুসৰি আজি গুৱাহাটীৰ বায়ুৰ গুণাগুণ ২১১, নলবাৰীৰ ১৯২, নগাঁৱৰ ১০৪, শিৱসাগৰৰ ৬১ আৰু শিলচৰৰ ৬৫ বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

সমাপ্ত